# ইউ,এছ,এফ অসম ৰাজ্যিক তদৰ্থ কমিটিৰ যুঃ আহ্বায়কৰ চমু প্ৰতিবেদন

অসম তথা ভাৰতীয় ছাত্ৰসমাজৰ আশা আকাংখ্যাক বাস্তৱত ৰূপায়িত কৰিবলৈ সঠিক আৰ্থসামাজিক বিশ্লেষণৰ ভিত্তিত ৰচিত কাৰ্য্যসূচী লৈ ১৯৭৮ চনৰ জানুৱাৰী মাহত এক নতুন দেশপ্ৰেমিক ছাত্ৰ সংগঠনৰ ইউনাইটেড্ ষ্টুডেন্টচ্ ফেডাৰেচন (ইউ-এচ-এফ) ৰ জন্ম হয়।

এই সংগঠনৰ জন্মৰ পৰাই সঠিক মতাদৰ্শগত ভিত্তিৰ বাবেই শোষণ বিৰোধী সংগ্ৰামৰ মূল শক্তি শ্ৰমিক কৃষক জনগণৰ লগত ক্ৰমাগত বেচিবেচিকৈ ঐক্যবদ্ধ হৈ আৰু আন আন গণতান্ত্ৰিক ছাত্ৰ আন্দোলনত চামিল হৈ বহু সংগ্ৰামত বিজয় অৰ্জন কৰিছে। এছ-এফ-আইকে ধৰি তথাকথিত বামপন্থী ছাত্ৰ সংগঠনবোৰ আৰু সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিক্ৰিয়াশীল নেতৃত্বৰ আচল স্বৰূপ সংগ্ৰামৰ মাধ্যমেৰেই উদঙাই দি দীৰ্ঘদিনীয়া ব্যথতাই অনা ছাত্ৰ সমাজৰ সন্তদ্ৰ্ন্দ্ব আঁতৰাই অসমৰ বৃহৎ ছাত্ৰ সমাজত এক নতুন উদ্দীপনাৰ আৰু দৃঢ় ঐক্যৰ সূচনা কৰিছে। প্ৰতিক্ৰিয়াশীল চক্ৰ সমূহৰ বিৰাট বাধা আৰু অপপ্ৰচাৰ সত্বেও মাত্ৰ প্ৰায় এবছৰৰ ভিতৰতে এক সবল গণভিত্তি তৈয়াৰ কৰি দ্ৰুতগতিত ইউ এছ এফে প্ৰসাৰ লাভ কৰিছে।

চুঙাজান বনাঞ্চল, টেঙাণী বনাঞ্চল ইত্যাদিত কৃষক উচ্ছেদৰ বিৰুদ্ধে হেজাৰ কৃষকৰ কান্ধত কান্ধ মিলাই সশস্ত্ৰ পুলিচী আক্ৰমণৰ মোকাবিলা কৰাত; বজালী অঞ্চলত সামন্তবাদ বিৰোধী কৃষকৰ ভূমিদখল আন্দোলনত সহযোগ কৰাত, বৰপথাৰ অঞ্চলৰ হেজাৰ হেজাৰ ছাত্ৰক লৈ ইউ-এছ-এফৰ নেতৃত্বত সামন্তবাদ বিৰোধী সংগ্ৰাম আৰু ছাত্ৰৰ বিভিন্ন দাবীৰ সমৰ্থনত সংগ্ৰাম আৰম্ভ কৰাত, গুৱাহাটীত কথাছবি প্ৰতিনিধি সন্থাৰ দীৰ্ঘদিনীয়া আন্দোলনত, জি-এল ইণ্ডাষ্ট্ৰিজৰ দীৰ্ঘদিনীয়া বীৰত্বপূৰ্ণ শ্ৰমিক আন্দোলনত, গুৱাহাটী পৌৰ নিগম কৰ্মীৰ আন্দোলনত, ইত্যাদিত আৰু অসংখ্য স্থানীয় দাবী লৈ শ্ৰমিক কৃষকৰ আহ্বানত সহাৰি জনাই সংগ্ৰাম কৰি সংগ্ৰাম জয়ৰ ইতিসাহেৰে ইউ-এছ-এফৰ এবছৰীয়া ইতিহাস গৌৰবময়।

পুলিচী যোগাযোগত সমাজ বিৰোধী ডকাইতৰ দীৰ্ঘদিনীয়া অত্যাচাৰ নিপীড়নৰ বিৰুদ্ধে জনগণক সংগঠিত কৰাৰ প্ৰস্তুতি চলাওতেই পুলিচ গুণ্ডা জোঁটৰ হিংস্ৰ আক্ৰমণত শ্বহীদ হোৱা দেশপ্ৰেমিক বীৰ হৰমোহন দাসৰ হত্যাৰ প্ৰতিবাদত অসমৰ ছাত্ৰ সমাজক জগাই তোলাতো ইউ-এছ-এফৰ ভূমিকা গুৰুত্বপূৰ্ণ।

সদৌ অসম খেতিয়ক সন্থাৰ নেতৃত্বত সমগ্ৰ অসম জুৰি সামন্তবাদ বিৰোধী বিস্তৃত সংগ্ৰামৰ প্ৰস্তুতিত লাখ লাখ কৃষক ইউ-এছ-এফৰ সদস্য সকলে অহৰহ সহায়ৰ হাঁত আগবঢ়াই আছে।

সাম্ৰাজ্যবাদী বৃহৎ শক্তিৰ স্বাৰ্থত আৰু সাম্ৰাজ্যবাদী শক্তিৰ ষড়যন্ত্ৰত জনগণৰ মাজত সংঘৰ্ষৰ বীজ ৰোপণকাৰী উগ্ৰজাতীয়তাবাদী চক্ৰৰ চক্ৰান্তক মষিমূৰ কৰি সমগ্ৰ অসমৰ পৰা শ্ৰমিক, কৃষক, ছাত্ৰ, যুৱক, মহিলালৈ ভাৰতবৰ্ষৰ ইতিহাসত অভূতপূৰ্ব্ব ঐতিহসিক উগ্ৰজাতীয়তাবাদ বিৰোধী বলিষ্ট মিছিল সংগঠিত কৰাত সক্ৰিয় অংশ গ্ৰহণৰ ইতিহাসেৰে ইউ, ইছ, এফৰ ইতিহাস আৰু অধিক গৌৰৱান্বিত। উগ্ৰজাতীয়তাবাদৰ বিৰুদ্ধে নিৰ্মম আদৰ্শগত সংগ্ৰাম চলোৱাতো ছাত্ৰ সংগঠণ সমূহৰ ভিতৰত ইউ,এছ,এফ অনন্য।

অকল স্থানীয় দাবীলৈয়েই সীমাবদ্ধ নাথাকি আৰু সংগঠনিক প্ৰসাৰ তথা সংহতকৰণৰ উদ্দেশ্যেৰে চেপ্তেম্বৰ মাহত ৰাজ্যিক তদৰ্থ কমিটি গঠন কৰি ইতিমধ্যেই অসমত থকা সকলো বিদেশী পুজি বাজেয়াপ্তকৰণ, আমুল ভূমি সংস্কাৰ সাধন, সংখ্যালঘু জাতিসত্বা আৰু সম্প্ৰদায়ৰ ওপৰত নিপীড়ণ বন্ধকে আদি কৰি দহদফীয়া কাৰ্য সূচী হাতত লৈ আন্দোলনৰ পথম পৰ্য্যয় ৰাজ্যজুৰি আৰম্ভ কৰিছে।

OKDISCD